**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-DEC-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
***Headlines***

-------------------------------

১। ২০২৫ বৰ্ষৰ বিষয়ে আলোকপাত কৰি ভাৰতে বিভিন্ন দিশত শক্তিশালী চাপ এৰি যোৱাত সমৰ্থ হৈছে বুলি মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসম আগমন। কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন ।

৩। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা ৩১ ডিচেম্বৰৰ ভিতৰত চৰকাৰী বেতনভোগী কৰ্মচাৰীৰ নাম কৰ্তনৰ বাবে বিত্ত বিভাগৰ নিৰ্দেশ।

**আৰু**

৪। গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ পঞ্চম দিনটো **শিশুৰ দিন** হিচাপে উদযাপন।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰা ক্ৰীড়া জগতলৈকে, বিজ্ঞান পৰীক্ষাগাৰৰ পৰা বিশ্বৰ বৃহৎ মঞ্চলৈকে ভাৰতে চলিত বৰ্ষত বিভিন্ন দিশত শক্তিশালী চাপ এৰি যোৱাত সমৰ্থ হৈছে। আকাশবাণীযোগে প্ৰচাৰিত ১২৯ সংখ্যক মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। নিজৰ মনৰ ভাৱ ব্যক্ত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৫ বৰ্ষটোৰ বিষয়ে আলোকপাত কৰি কয় যে বছৰটোৱে প্ৰতিজন ভাৰতীয়কে গৌৰৱ কৰিব পৰাকৈ যথেষ্ট স্মৃতি দি গৈছে। অপাৰেচন সিন্দুৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱ কৰিব পৰা আটাইতকৈ উল্লেখনীয় মুহূৰ্ত বুলি প্ৰধানমন্ত্ৰীয়ে মত পোষণ কৰে।

মণিপুৰৰ মৈৰাংথেম শেঠৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যখনৰ এখন প্ৰান্তীয় গাঁৱৰ এই লোকজনৰ প্ৰচেষ্টাত অঞ্চলটোত সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। তেওঁৰ এই প্ৰচেষ্টাৰ ফলত অঞ্চলটোত কেইবাশ পৰিয়ালে সৌৰশক্তি উৎপাদন তথা ব্যৱহাৰ কৰাৰ লগতে বহুতো স্বাস্থ্য সেৱা কেন্দ্ৰও সৌৰশক্তি ব্যৱহাৰৰ উপযোগী হৈ উঠিছে। শ্ৰীমোদীয়ে লগতে কয় যে স্থানীয় মহিলা, মাছমৰীয়া আৰু শিল্পীসকলে এই উদ্যমিতাৰ জৰিয়তে বিশেষ সুবিধা লাভ কৰিছে।

oooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰৱাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীৰ উপস্থিতিত বটদ্ৰৱা প্ৰকল্প উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণ কৰা বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পথলীত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে। অঞ্চলটোৰ ৰাইজে গৃহমন্ত্ৰীগৰাকীক

আদৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কালি জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা আৰু নগাওঁ জিলা আযুক্তই প্ৰকল্পৰ চূড়ান্ত পৰ্যায়ৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে।

গৃহমন্ত্ৰী শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব। এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, বহু খলপীয়া গাড়ী ৰখোৱা স্থান, উদ্যান, ফুডকোৰ্ট ইত্যাদি থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে এই কেন্দ্ৰটো পৰিদৰ্শনৰ সময়ত প্ৰকাশ কৰা মতে, আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব। অসম আৰক্ষীয়ে এই ক্ষেত্ৰত লাভ কৰা সফলতাসমূহ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে ৰাজহ ঘাটি জোৰা মৰাৰ উদ্দেশ্যে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা চৰকাৰী বেতনভোগী কৰ্মচাৰীৰ নাম কৰ্তনৰ নিৰ্দেশ দিছে। ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে এটা নিৰ্দেশনাযোগে ৩১ ডিচেম্বৰৰ ভিতৰত অৰুণোদয় আঁচনিৰ মাহে বিত্তীয় অনুদান লাভ কৰা অহা সকলো ধৰণৰ চৰকাৰী নিয়মীয়া কৰ্মচাৰী, পেন্সনাৰ, ঠিকাভিত্তিক কৰ্মচাৰীৰ লগতে অংগনৱাড়ী কৰ্মী, মধ্যাহ্ন ভোজন কৰ্মী, আশাকৰ্মী, আশা পৰ্যবেক্ষক আৰু গাঁওবুঢ়াসকলৰ নাম কৰ্তন কৰিবলৈ কৈছে। ইয়াৰ উপৰি বিশ্ববিদ্যালয়-মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক, কনিষ্ঠ মহাবিদ্যালয়, হাইস্কুল, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ঠিকাভিত্তিক তথা অস্থায়ী কৰ্মচাৰীৰ নামো অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ তালিকাৰ পৰা বাদ দিবলৈ কোৱা হৈছে। বিত্ত বিভাগৰ নিৰ্দেশনাটোত এনে চৰকাৰী বেতনভোগী কৰ্মচাৰী আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যসকলেও ৩১ ডিচেম্বৰৰ বাবে বাধ্যতামূলকভাৱে অৰুণোদয় আঁচনিৰ পৰা নাম কৰ্তন কৰিব লাগিব। অন্যথা সংশ্লিষ্ট কৰ্মচাৰীৰ বিৰুদ্ধে বিভাগীয় অনুশাসনমূলক ব্যৱস্থাৰ উপৰি হিতাধিকাৰী হিচাপে লাভ কৰা ধনৰাশি ঘূৰাই লোৱা হ'ব বুলি সকীয়াই দিয়া হৈছে। বিত্ত বিভাগৰ সচিব নৰছিং পাৱাৰে প্ৰতিটো বিভাগলৈ নিৰ্দেশনা জাৰি কৰি নিজ নিজ বিভাগৰ কৰ্মচাৰীসকলক বিষয়টো সম্পৰ্কে অৱগত কৰিবলৈ কৈছে।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলাৰ আজি পঞ্চম দিনটো **শিশুৰ দিন** হিচাপে উদযাপন কৰা হ'ব। পুৱা চাৰে ৯ বজাত বিশিষ্ট শিশু সাহিত্যিক বন্দিতা ফুকনে শিশুসকলৰ অনুষ্ঠান মুকলি কৰিব। পুৱা চাৰে ৯ বজাত কবিতা আবৃত্তি আৰু দিনৰ চাৰে ১১ বজাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ২ বজাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। সন্ধিয়া ৫ বজাত সাংস্কৃতিক অনুষ্ঠান আৰু ৬ বজাত **অন্তৰংগ আলাপ** অনুষ্ঠান অনুষ্ঠিত হ'ব। বিশিষ্ট লেখক, চিত্ৰনাট্যকাৰ, কবি, গীতিকাৰ অক্ষত গুপ্তাই **অন্তৰংগ আলাপ** অনুষ্ঠান মুকলি কৰিব। এই অনুষ্ঠান পৰিচালনা কৰিব বিশিষ্ট লেখক, সাংবাদিক তথা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ সমুদ্ৰগুপ্ত কাশ্যপে।

গ্ৰন্থমেলাথলীত কালি **উন্মীলন** শীৰ্ষক যুৱ লেখক সন্মিলন অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক তথা আমাৰ অসম কাকতৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামীয়ে এই সন্মিলন উদ্বোধন কৰি কয়, যে বয়সে সাহিত্যক উত্তীৰ্ণ নকৰে, প্ৰতিভা আৰু সাধনাইহে

উত্তীৰ্ণ কৰে। এই সন্দৰ্ভত তেওঁ ২৫ বছৰ বয়সত  মৃত্যুবৰণ কৰা বিশ্ব প্ৰসিদ্ধ কবি জন কীটছ্ আৰু ২৯ বছৰ বয়সত মৃত্যুবৰণ কৰা শ্বেলীৰ উদাহৰণ দিয়ে। পূৰ্ণ সাধনা, অধ্যয়ন আৰু পৰ্যবেক্ষণৰ জৰিয়তেহে উত্তৰণ সম্ভৱ বুলিও তেওঁ মন্তব্য কৰে।

লেখক, অনুবাদক তথা জৰ্জিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰুণি কাশ্যপ নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থকা এই সন্মিলন লেখক তথা জ্যেষ্ঠ জনসংযোগ বিষয়া সমীৰ শান্দিল্যই সঞ্চালনা কৰে। ইয়াৰ পাছত জন্ম শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্যৰ আলোচনা সত্ৰত ‘আধুনিকতাবাদ আৰু কবি অজিত বৰুৱা’ সন্দৰ্ভত এখন আলোচনা অনুষ্ঠিত হয়। আলোচনা সত্ৰখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্যিক, সমালোচক ড০ আনন্দ বৰমুদৈয়ে সঞ্চালনা কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ জুটুলীবাৰী চাহ বাগিছাত কালি স্বাস্থ্য বিভাগে আয়োজন কৰা এটা অনুষ্ঠানত স্বাস্থ্যবান শ্ৰমিক যোজনা ৰাজ্যিক ভিত্তিক শুভাৰম্ভ কৰা হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী অশোক সিংহালে এই যোজনাৰ শুভাৰম্ভ কৰে। চাহ শ্ৰমিকসকলৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লক্ষ্যৰে তেওঁলোকক গুণগত আৰু মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদান কৰিবলৈ এই যোজনা ৰূপায়ণ কৰা হ'ব। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰী সিংহালে কয় যে ৰাজ্যখনৰ চাহ বাগিছাৰ জনসংখ্যা মুঠ জনসংখ্যাৰ ২০ শতাংশ। চাহ উদ্যোগৰ ৰাজধানী হিচাপে পৰিচিত ৰাজ্যখনৰ উন্নয়নৰ যাত্ৰাত চাহ শ্ৰমিকসকলৰ অৱদান অনস্বীকাৰ্য্য বুলি তেওঁ উল্লেখ কৰে। ২০২৫-২৬ চনৰ ৰাজ্যিক বাজেটত স্বাস্থ্যবান শ্ৰমিক যোজনা ৰূপায়ণৰ বাবে এখন আঁচনিৰ অনুমোদন দিয়া হৈছিল। এই অনুসৰি ৰাজ্যৰ ২০ খন চাহ বাগিছাত কালিৰে পৰা পাইলট প্ৰকল্প হিচাপে ইয়াক কাৰ্যকৰী  কৰা হৈছে। উল্লেখযোগ্য যে চাহ বাগিছাৰ শ্ৰমিকসকলৰ স্বাস্থ্য সন্দৰ্ভত কৰা জৰীপত তেওঁলোকৰ মাজত ৰক্তহীনতা, পুষ্টিহীনতা, উচ্চৰক্তচাপ, যক্ষ্মাকে ধৰি বিভিন্ন ৰোগৰ সংক্ৰমন থকাৰ তথ্য পোৱা গৈছে। তদুপৰি তেওঁলোকৰ অনেকৰে মাজত কম বয়সৰে পৰা মাদক দ্ৰব্য ব্যৱহাৰ বৃদ্ধি পোৱাৰ ফলত জীৱনৰ মান নিম্নগামী হোৱা বুলিও প্ৰকাশ পাইছে। এই কাৰ্যসূচীৰ জৰিয়তে বিভিন্ন ৰোগৰ পৰীক্ষা আৰু ব্যৱস্থাপনা কৰাৰ লগতে জন্মৰ পৰা ১৮ বছৰৰ ভিতৰৰ লৰা ছোৱালীৰ সুস্বাস্থ্যৰ বাবে ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচীৰ অধীনত স্বাস্থ্য পৰীক্ষা নিশ্চিত কৰা হ'ব। তদুপৰি মাদক দ্ৰব্যৰ ব্যৱহাৰ নিয়ন্ত্ৰণৰ বাবেও সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হব। ইয়াৰ বাবে চাহ বাগিচাৰ একাংশ মহিলাক মহিলা স্বাস্থ্য আৰু সুস্থতাৰ এম্বেচেদৰ হিচাপে নিযুক্তি দিয়া হব। তেওঁলোকে উন্নয়ন খণ্ড পৰ্যায়ত মহিলাসকলক প্ৰশিক্ষণ প্ৰদান কৰি তেওঁলোকক স্বাস্থ্য সম্পৰ্কীয় বিষয়ত সজাগ কৰিব।

০০০০০০

ৰাজ্যত কালি প্ৰকাশিত বিশেষ সংশোধিত খচৰা ভোটাৰ তালিকা অনুসৰি ১০ লাখ ৫৫ হাজাৰ ১৪০ জন ভোটাৰৰ নাম তালিকাত নতুনকৈ অন্তৰ্ভুক্ত হৈছে। আনহাতে ১০ লাখ ৫৬ হাজাৰ ২৯১জন ভোটাৰৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে এই সংশোধনী প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্যৰ সৰ্বমুঠ ২ কোটি ৫২ লাখ দুহেজাৰ ৭৭৫ গৰাকী আৰু ডি-ভোটাৰ ৫৩ হাজাৰ ২১ জন। খচৰা তালিকা অনুসৰি ইতিমধ্যে মৃত্যু হোৱাৰ ৪ লাখ ৭৮ হাজাৰ ৯৯২ জন ভোটদাতাৰ নাম ভোটাৰ তালিকাৰ পৰা  কৰ্তন কৰা হৈছে। বাসস্থান সলনি কৰা ৫ লাখ ২৩ হাজাৰ ৬৬০ জন ভোটদাতাক চিনাক্ত কৰাৰ লগতে কেইবাটাও স্থানত নাম থকা ৫৩ হাজাৰ ৬১৯ জন ভোটদাতাক চিনাক্ত কৰা হৈছে।

এই তালিকা সন্দৰ্ভত ৰাইজে অহা ২২ জানুৱাৰী পৰ্যন্ত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে ৩, ৪, ১০ আৰু ১১ জানুৱাৰীত বিশেষ শিবিৰ অনুষ্ঠিত হ'ব। ২ ফেব্ৰুৱাৰীৰ ভিতৰত এই ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰি ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০

**সমাপ্ত**